আকৰ্ষণীয়তা দান কৰিছে।

**কমলাকান্ত ভট্টচাৰ্য** (১৮৫৪-১৯৩৬ খ্ৰী.) কমলাকান্তই 'অৰুনোদই'ত সাহিত্যক জীৱন আৰম্ভ কৰি 'আৱাহন'ৰ সময়লৈকে তিনিকুৰি বছৰ কাল সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যৰ যোগান ধৰে। 'অৰুনোদই', 'আসাম নিউজ', 'আসাম বন্ধু' 'জোনাকী', 'বাঁহী', 'ঊষা' আৰু 'আৱাহন' এই —সকলোবোৰ কাকততে তেওঁৰ প্ৰবন্ধ সিঁচৰতি হৈ আছে। কমলাকান্তৰ জন্ম হয় তেজপুৰ মহকুমাৰ ন-দুৱাৰত। বাপেক বাণেশ্বৰ ভট্টাচাৰ্য পুলিচৰ দাৰোগা আছিল। তেজপুৰ আৰু গুৱাহাটীৰ ইংৰাজী স্কুলৰ শিক্ষা লৈ কিছুদিন ইটো-সিটো চাকৰি কৰি হৰিবিলাস আগৰৱালাৰ লগত কাৰবাৰ কৰে। তাৰ পিছত স্বাধীনভাৱে নানা ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰে। তেওঁৰ মন আছিল সংস্কাৰমুক্ত আৰু স্বাধীনতাপ্ৰয়াসী। পৰম্পৰাগত বিশ্বাসত তেওঁৰ আস্থা নাছিল,

যুক্তিৰ ভেটিতহে বিশ্বাস গ্ৰহণ বৰ্জন কৰিছিল । শেষত গুৱাহাটীত স্থায়ীভাৱে বসতি কৰি ১৯৩৬ চনত প্ৰায় ৮৫ বছৰ বয়সত ইহলীলা এৰে ।

কমলাকান্তই গদ্য-পদ্য দুয়োবিধ সাহিত্যতে অৱদান দি গৈছে । ১৮৯০ চনত এওঁৰ কবিতাৰ পুথি 'চিন্তানল'ৰ আগছোৱা, ১৮৯২ চনত শেষছোৱা প্ৰকাশ হয় । ১৯৩৩ চনত তেখেতৰ 'চিন্তা-তৰঙ্গ' নামৰ দ্বিতীয় কবিতাৰ পুথি প্ৰকাশ হয় । উপৰুক্ত দুখন কবিতাৰ পুথিত বিভিন্ন আলোচনীত প্ৰকাশ পোৱা কবিতা সন্নিবিষ্ট হৈছে । কবিতাবোৰ কমলাকান্তৰ স্বদেশপ্ৰীতিৰ অগ্নিস্ফুলিঙ্গ । কবিতাবোৰত অসমীয়াৰ অতীত গৌৰৱ সুঁৱৰি আৰু বৰ্তমানৰ অধঃপতন আৰু পৰাধীনতালৈ দৃষ্টি কৰি আক্ষেপ কৰিছে আৰু দেশবাসীক উদাত্তস্বৰে উন্নতি পথত আগবাঢ়িবলৈ আহ্বান জনাইছে । কমলাকান্তৰ কবিতাৰ ছন্দ সাৱলীল নহয় আৰু বৰ শ্ৰুতিমধুৰো নহয়; কিন্তু অনুভৱৰ তীব্ৰতা আৰু মৌলিক কল্পনাৰ অভাৱ নাই । স্বদেশ প্ৰেমৰ বজ্ৰনিৰ্ঘোষ কবিতাৰ প্ৰতি ছত্ৰত অনুৰণিত হৈছে । 'বহাগীৰ বিয়া' আদি দুই চাৰিটা 'জোনাকী'ত প্ৰকাশ পোৱা কবিতাত কবিৰ সৌন্দৰ্যবোধৰো আভাস পোৱা যায় । আনহাতে নিষ্কৰ্মা অসমীয়াক ধিক্কাৰ দি অতীত গৌৰৱ স্মৰণ কৰোঁতে কবিতাকাৰ মসৃণতা আৰু পৰিচ্ছন্নতা চকু দিয়াৰ প্ৰয়োজন বোধ নকৰিছিল । কমলাকান্ত অম্বিকাগিৰিৰ পূৰ্বসুৰী বুলিব পাৰ । তেওঁ ভাৰতীয়ত্ব স্বীকাৰ কৰিও অসমীয়াৰ স্বকীয়তা প্ৰতিষ্ঠাৰ প্ৰতি অধিক আগ্ৰহশীল আছিল ।

পদ্য ৰচনাৰ ভিতৰত 'কঃ পন্থা ' আৰু 'অষ্টবক্ৰৰ আত্মজীৱনী' নামৰ দুখন পুথিৰ ভিতৰত প্ৰথমখন জীৱিত অৱস্থাতে প্ৰকাশ হৈছিল । দ্বিতীয়খন প্ৰকাশ নহ'ল আৰু ভৱিষ্যতে হ'বৰো আশা নাই । এই দুখন পুথিৰ বাহিৰেও বিভিন্ন আলোচনীত বহুতো মৌলিক চিন্তা আৰু গৱেষণামূলক প্ৰবন্ধ সিঁচৰতি হৈ আছে । 'গুটি দিয়েৰ চিন্তাৰ ঢৌ' পৰ্যায়ৰ প্ৰবন্ধৰাজিত কমলাকান্তৰ স্বকীয় দৰ্শন জটিল তত্ত্ব সহজকৈ প্ৰকাশ কৰিব পৰা ক্ষমতা উপলব্ধ হয় । মৌলিক চিন্তাৰ গভীৰতা আৰু নিজস্ব দাৰ্শনিক দৃষ্টিভঙ্গী আৰু স্বদেশপ্ৰেমৰদ্বাৰা তেওঁৰ গদ্য লক্ষণযুক্ত । ভাষা সংস্কৃতগন্ধী নকৰাকৈ গুৰু-গম্ভীৰ ভাব, ঘৰুৱা অসমীয়া যোগেদি প্ৰকাশ কৰিব পৰা ক্ষমতা কমলাকান্তৰ গদ্য ভঙ্গীত দেখা যায় ।

**ৰত্নেশ্বৰ মহন্ত** (১৮৬৪-১৮৯৩ খ্ৰী.) ঃ 'আসাম- বন্ধু' আৰু 'জোনাকী'ত নিয়মিতভাৱে প্ৰবন্ধ দিয়া ৰত্নেশ্বৰ মহন্তৰ জন্ম আৰু স্কুলীয়া শিক্ষা গুৱাহাটীত যদিও এণ্ট্ৰেন্স পাছ কৰে নগাঁৱৰ পৰা । নগাঁৱত সেই সময়ত গুণাভিৰাম বৰুৱা, পদ্মহাস গোস্বামীকে কেন্দ্ৰ কৰি এটি সাহিত্যিক গোষ্ঠী গঢ়ি উঠিছিল যি গোষ্ঠীত হেমচন্দ্ৰ গোস্বামী আৰু ৰত্নেশ্বৰ মহন্তই সাহিত্য প্ৰতিভা বিকাশৰ উপযোগী পৰিৱেশ লাভ কৰিছিল । ৰত্নেশ্বৰে অৰ্থভাৱত উচ্চ শিক্ষা লবলৈ যাব নোৱাৰি নগাঁৱৰ কাছাৰিত চাকৰি কৰি জীৱন নিৰ্বাহৰ পথ বাছি লয় । হেমচন্দ্ৰ গোস্বামীৰ লগত অন্তৰঙ্গতা মৃত্যুপৰ্যন্ত অব্যাহত আছিল আৰু বন্ধুতা সাহিত্য প্ৰীতিৰ মাজেদিয়ে গঢ়ি উঠিছিল । গুণাভিৰাম